31

বেজীৰে কৰা চিলাই

(Embroidery Stiches)

বেজীৰে কৰা চিলাই (Embroidery stitches) ঃ

কাপোৰৰ ওপৰত বেজী আৰু সূতা ব্যৱহাৰ কৰি অলংকৰণ কৰাকে বেজীৰে কৰা চিলাই (**Embroidery stitches**) বুলি কোৱা হয়। বিভিন্ন চিলাই, নক্সা, ৰং আদিৰ সমন্বয়ৰে কাপোৰত এক সৃষ্টিমূলক প্ৰতিভাৰ বিকাশ কৰিব পাৰি। সেইদৰে এখন পুৰণা কাপোৰো চকুত লগা কৰিব পাৰি। সকলোবিলাক মূল চিলাইয়ে সহজ। কেতিয়াবা কেবাটাও মূল চিলাই লগ লগাই এখন আটক-ধুনীয়া অলঙ্কিত কৰা কাপোৰ পোৱা যায়।

- এটা চিলাই আৰম্ভ কৰিবলৈ শুদ্ধ-পদ্ধতি প্ৰদৰ্শন কৰা।
- মূল দহটা চিলাই কাৰ্যকৰী কৰা।
- চিলাই কৰা কাপোৰটো শুদ্ধভাৱে পূৰ্ণ কৰা।
- প্ৰত্যেকটো চিলাই শুদ্ধ পদ্ধতিৰে প্ৰদৰ্শন কৰা।
- নিৰ্বাচিত নক্সাটোত উপযুক্ত চিলাই ব্যৱহাৰ কৰা।

31.1 চিলাইৰ আৰম্ভণি (Starting the embroidery) :

এম্ব্ৰইডাৰী (embroidery) কৰিবলৈ এবাৰ যেতিয়া গোটেই টোপোলাটো (kit) গোট খাই (যেনে— কাপোৰ, সূতাৰ ৰং, নক্সা ইত্যাদি), তেতিয়া তুমি আৰম্ভ কৰিবলৈ সাজু হ'ব পাৰা। চিলাই আৰম্ভ কৰাৰ আগতে হাত দুখন ধুই মোহাৰি ল'বা। কিয়নো হাত চাফা হ'লে চিলাইটোও চাফা আৰু সতেজ হৈ থাকে। যদি তোমাৰ হাতৰ পৰা ঘাম ওলায়, তেতিয়া সঘনাই ধুবা আৰু মোহাৰিবা। সূতাৰ গাঁঠি আৰু পাকবিলাক মন কৰিবা। এনে ক্ষেত্ৰত বেজীটো ওলোটাকৈ টানিব লাগে। যদি তেতিয়াও সূতাডাল লাগি ধৰে বা পাক খায়, তেন্তে নতুন সূতা ব্যৱহাৰ কৰিব লাগে। সদায় এম্ব্ৰাইডাৰী বখীয়া চিলাইৰে আৰম্ভ কৰিবা। গাঁঠিৰে আৰম্ভ নকৰিবা।

বখীয়া চিলাই (Back stitch) :

এই চিলাই যথেষ্ট শক্তিশালী, এম্ব্ৰাইডাৰী কৰা কাপোৰৰ ওলোটাফালে সোঁফালৰ পৰা বাঁওফালকৈ এই চিলাই কৰা হয়। ইয়াৰ বাবে প্ৰথমে বেজীটো এটা নিৰ্দিষ্ট স্থানত তললৈ ফুটাই কিছু পৰিমাণে দীঘৰ সূতা বেজীত লৈ ওপৰলৈ দ্বিতীয় স্থানত ফুটাই পাৰ কৰা হয়। পুনৰ বেজী প্ৰথম ফুটাৰে পাৰ কৰি তৃতীয় স্থানত ফুটাই ওপৰলৈ পাৰ কৰি দ্বিতীয় স্থানেৰে পুনৰ তললৈ পাৰ কৰি চতুৰ্থ স্থানেৰে ফুটাই পাৰ কৰোৱা হয়। এইদৰে সম-দূৰত্বত আগবাঢ়ি এই চিলাই সম্পূৰ্ণ কৰা হয়।

> যদি তুমি এখন ডাঙৰ এম্ব্ৰইডাৰী কৰিবলৈ লোৱা, তেন্তে সকলো বৰ্ণৰ সূতা আগতীয়াকৈ গোটাই ল'ব লাগে। ৰঙৰ কিঞ্চিৎ পৰিবৰ্তনে চিলাইৰ উৎকৃষ্টতা ম্লান পেলাব পাৰে।

31.2 মূল চিলাই (Basic stitches) :

এই পাঠটোত মূল দহোটা (ten) চিলাইৰ বিষয়ে শিকিম, যিকেইটা সাধাৰণতে বেছিকৈ ব্যৱহাৰ হৈ থাকে। গোটেই বিশ্বতে এই চিলাইকেইটা বহু শতাব্দী ধৰি চলি আহিছে। কিন্তু ফেশ্বন পৰিবৰ্তন হোৱাৰ লগে লগে এই চিলাইবোৰৰ নিয়মবিলাকত কিছু প্ৰভাৱ নপৰা নহয়।

(v) **ষ্টেম বা ঠাবি চিলাই (stem stitch) ঃ**

প্রথানতঃ এই চিলাই চাবিওকায (out line) লিখাঁনে ব্যবহাব কবা হয়। ঠাবি, পাত আলিব কাখবিলাক এই চিলাইবে সম্পূর্ণ কবা হয়। ইয়াত খুউব ওচবা-উচাবিকে চিলাই কবা হয়। দুটা চিলাইব মাজত কোনো ফাঁক দেখিবাঁনে পোবা নাযায়। এই চিলাই কবোতে সাবধানতা অবলম্বন কবিব লাগে, যাতে চিলাইবোব বেছি দীঘল নহয়।

(ii) **পূবোবাযভর্তি চিলাই (Satin stitch) ঃ**

মূলতঃ এইবিধ ভর্তি কবা চিলাই। সাধাবণতে কাপোবত পাত, ফুল আদিব নক্সাব ওপবত কবা হয়। পাত আকৃতিব নক্সাত সাধাবণতে খুলীয়া কবিবব বাবে পাতখিলাব মূখা ভাগত এডাল আঁচ দি পাতখিলাব এটা ভাগ আৰু মাজত আঁচডালব ভিতবত এই চিলাই কবা হয়। ভর্তি চিলাই এনেভাবে কবা হয়, যাতে পাতব ভিতবত কাপোবখন দেখা নাযায় আৰু সূতাবোব উপবা-উপবিকে নপবে।

(iii) **দীঘল আৰু চুটি চিলাই (Long and short stitch) ঃ**

এইবিধ চিলাই এক প্রকাবব ভর্তি চিলাই। এই চিলাই কবোতে কাপোবত ফুটা কবি বেজিটো এবাব দীঘলকে আৰু এবাব চুটিকে উলিয়াব লাগে। সূতাডাল তলফালে যাতে বেছিকৈ নোলায় তাব প্রতি লক্ষ্য বাখিব লাগে।

(iv) **শিকলি চিলাই (Chain stitch) ঃ**

এই চিলাই কবিলে কাপোবত চেইনডালব দবে দেখি যাবে ইয়াক শিকলি বা chain stitch বুলি কোবা হয়। চিলাই কবিবলৈ বেজী প্রথমে শুদ লিশব পবা তললৈ ফুটাই কিছু অংশ সূতা বেজীব আগত লৈ দ্বিতীয় বিন্দুত বেজী ওপবলৈ পাব কবি বেজীব আগত সূতাব পাক লগাই টানি পুনব দ্বিতীয় স্থানত পাকব সূতাব বাহিবব পবা বেজী ফুটাই সমদূবত্বত তৃতীয় স্থানত পাকব সূতাব বাহিবব পবা বেজী উলিওবা হয় আৰু সূতাব পাক দিয়া হয়। ফলত শিকলিব নিচিনা গাঁথনেবে আগবঢ়াই নিয়া হয়। বিভিন্ন ধৰণব সূতাবে এই চিলাই কবিলে দেখিবলৈ বেছি আকর্ষণীয় হয়।

(v) **তালি মবা (Darning stitch) চিলাই ঃ**

তালি মবা চিলাই এক প্রকাবব পূবোবা চিলাই। কিন্তু এই চিলাইত কেবল মাত্র কাপোবব চিধা ফালেহে দেখা যায়। প্রথমে বেজীটো ওপবলৈ আনি অলপ ঠাই গৈ পুনব তললৈ সুমুবাব লাগে। এনেদবেই চিলাইটো কবি এটা লাইন পূ ৰা হ'লে, পিছব বাবত প্রথম লাইনব ওলোটাকে কবিব লাগে।

(vi) **হেবিং ব'ন (Herring bone stitch) চিলাই ঃ**

এই চিলাইৰ সহায়ত কটা মুৰৰ পৰা সূতা ওলাই নষ্ট হোৱাৰ পৰা ৰক্ষা কৰিব পৰা যায়। দেখিবলৈ শুৱনি বাবে এই চিলাই এম্ব্রইডাৰী কৰিখবলৈকো ব্যৱহাৰ কৰা হয়। প্ৰথমে কাপোৰৰ কটা মুৰ ভাঁজ কৰি লোৱা হয়। ইয়াৰ পাছত বেজী সোঁপিনৰ পৰা বাওঁপিনলৈ ফুটাই কৰি যোৱা হয়। প্ৰথম শাৰীৰ পৰা দ্বিতীয় শাৰী চিলাই কৰোতে বেজীৰ আগত বেজীৰ সূতা ৰাখি পাৰ হৈ যা যায়।

(vii) বুটামৰ কাজ কৰা চিলাই (Buttom hole, stitch) :

এই চিলাই সাধাৰণতে চাৰ্টৰ বুটাম বন্ধ কৰা বিন্ধাটোৰ কাষটোত কৰা হয়। বাওঁফালৰ পৰা সোঁফাললৈ এই চিলাই কৰা হয়। এই প্ৰকাৰ চিলাই বিন্ধাটোৰ দাঁতিত লম্বভাবে ফুটা কৰা বেজীৰ আগত সূতাৰ পাক লগাই সূতা ওলাব নোৱাৰাকৈ ধৰি ৰখা হয়। এই চিলাই এটা আনটোৰ সৈতে খুউব ওচৰা-ওচৰিকৈ কৰা যায়।

(viii) কম্বল চিলাই (Blanket stitch) :

এইটো বাটন চিলাইৰ দৰে একে। পাৰ্থক্য এইটোৱে যে, ইয়াত চিলাইবোৰ হেৰেভাকৈ কৰা যায়। এই চিলাই বিশেষকৈ ডাঠ কাপোৰৰ কটা মুৰটো ৰক্ষা কৰিবলৈ ব্যৱহাৰ কৰা হয়। কম্বল, কাৰ্পেট আদিত এই চিলাই কৰা হয়।

(ix) পূৰণ চিলাই (Cross stitch) :

পূৰণ চিলাই হেৰিং ব'ন চিলাইৰ দৰে একে। কেৱল ইয়াত বাওঁফালৰ পৰা সোঁফাললৈ ক্ৰমান্বয়ে দুশাৰী চিলাইৰ সহায়ত কৰা হয় আৰু চিলায়ে পূৰণ চিনৰ আকাৰ লয়।

(x) ফ্ৰেন্স নট চিলাই (French knot stitch) :

এই প্ৰকাৰ চিলাইত প্ৰথমে বেজীটো কাপোৰত ওকণমান ঠাইত সুমুৱাই প্ৰয়োজন মতে, সূতাডাল বেজিটোৰ গাত কেইবাৰো পকাই সেই পাকবোৰৰ মাজেৰে সাৱধানে টানি লৈ আকৌ একে ঠাইতে সোমোৱাব লাগে। সৰু সৰু ফুলৰ কলি কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

31.3 চিলাই কৰা কাপোৰটোৰ পূৰ্ণকৰণ (Finisthing of the embroidered article) :

চিলাই কৰি থকা সময়ত বা শেষ হোৱাৰ পাছত ভালকৈ নিৰীক্ষণ কৰিব লাগে, যাতে কাপোৰটো চাফা দেখি। ইয়াৰ বাবে তলত দিয়া কথাকেইটা মন কৰিব লাগিব।

(i) চিলাই কৰাৰ পাছত এটা ডাঙৰ গাঁথিৰে শেষ কৰিব নালাগে। কাপোৰটোৰ চিধা আৰু ওলোটা দুয়োটাফাল একেধৰণৰ। দেখাকৈ চাফা হ'ব লাগে।

(ii) পাছফালৰ অতিৰিক্ত ওলাই থকা সূতাবোৰ কাটি (clip) পেলাব লাগে।

(iii) কেতিয়াবা চিলাই কৰি থাকোতে কাপোৰখন লেতেৰা হ'ব পাৰে, সেয়েহে প্ৰয়োজন হ'লে ধুব লাগে বা শুষ্ক ধোৱন ব্যৱহাৰ কৰিব পাৰে।

(iv) কাপোৰখনত মাৰ দি ইস্ত্রি কৰিব লাগে।

(v) প্ৰয়োজন মতে কাপোৰৰ কাষবিলাক হেমি বা পাইকটিং (Picotting) কৰিব লাগে।

(vi) যদি চিলাই কৰা কাপোৰটো বেছিকৈ অলঙ্কৰণ কৰা হয়, তেতিয়া ইয়াক ভাঁজ কৰি মলমল কাপোৰৰ মাজত ৰাখিব লাগে।